**বিদ্যালয়ৰ নেতৃত্ব: শিক্ষণৰ পৰিৱেশ গঢ়াত**

| **অসমীয়া** |
|---|
| মই যেতিয়া শ্ৰেণীকোঠালৈ যাওঁ, তেতিয়া শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ প্ৰধান শিক্ষকজন যে তেওঁলোকৰ মাজত আছে সেই কথা উপলব্ধি কৰে আৰু তেওঁলোকে তেওঁলোকৰ কাম-কাজত মনোনিৱেশ কৰে।<br>ল'ৰা-ছোৱালীবোৰ সুখী হয় আৰু শিক্ষকসকলেও তোওঁলোকে যিয়েই নিশিকাওক কিয়, প্ৰধান শিক্ষকে সেয়া পৰ্যৱেক্ষণ কৰি আছে বুলি জানিব পাৰি সুখী হয়।<br>ল'ৰা-ছোৱালীবোৰ জিজ্ঞাসু হয় আৰু এটা ভাল পৰিৱেশ বিৰাজ কৰে শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ মাজত।<br>শিক্ষাগ্ৰহণ কৰিবলৈ পাই ল'ৰা-ছোৱালীবোৰো সুখী হয়। এটি শিশুৱে কিবা এটা আবৃত্তি কৰে আৰু আনবোৰ শিশুৱে তাৰ পুনৰাবৃত্তি কৰি যায়। যিবোৰ শিশু শিক্ষণ সামগ্ৰীসমূহৰ লগত নতুনকৈ পৰিচিত হয় সিহঁতে এইবোৰ শিকিবলৈ যত্ন কৰে আৰু প্ৰত্যেকেই ভাল দৰে শিক্ষাগ্ৰহণ কৰে।<br>এই বিদ্যালয়ত থকাৰে পৰা, মই বদ্যালয়ৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু নিয়মানুৱৰ্তিতা বজাই ৰখাৰ প্ৰতি গুৰুত্ব দিবলৈ ধৰিলোঁ।<br>শিক্ষকসকলেও সদায়েই মোৰ লগত সহযোগ কৰি আহিছে আৰু তত্কালীনভাৱে সাহায্য আগবঢ়াই আহিছে। মই ইয়ালৈ অহাৰে পৰা বিদ্যালয়গৃহ সময় মতে খোলে। ল'ৰা-ছোৱালীবোৰে সময়মতে আহে। প্ৰতিটো অধিৱেশন সময়ত আৰম্ভ হয়। বিদ্যলয়গৃহ পৰিষ্কাৰ হৈ থাকে আৰু শ্ৰেণীসমূহ সময় মতে চলে।<br>সকলোবোৰ ল'ৰা-ছোৱালী আৰু শিক্ষকে তেওঁলোকৰ শ্ৰেণীত সময়মতে উপস্থিত থাকে। আমাৰ বাবে কিছুমান প্ৰত্যাহ্বান থকা সত্বেও মই কোনো বিশেষ অসুবিধা লক্ষ্য কৰা নাই। মই শিক্ষক আৰু অভিভাৱকসকলৰ সৈতে একেলগে কাম কৰি গ'লো। তেওঁলোকৰ সহযোগিতাত আৰু প্ৰত্যকৰে সহায়ত মই মোৰ কাম কৰি গৈছোঁ। |